# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 05-08-2025

**Time :** 21-25  Hrs

### ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ভাৰতৰত্ন সন্মানেৰে বিভূষিত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পূণ্যতিথি আজি ৰাজ্যজুৰি লোক কল্যাণ দিৱস হিচাপে পালন কৰা হৈছে। ২০২২ বৰ্ষৰ পৰা ৰাজ্য চৰকাৰৰ উদ্যোগত এইদিনটো লোক কল্যাণ দিৱস হিচাপে পালন কৰি অহা হৈছে। এই উপলক্ষে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত অৰাজপত্ৰিত কৰ্মচাৰীসকলৰ উৎকৃষ্টসেৱাৰ বাবে ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লোক সেৱা পুৰস্কাৰ প্ৰদান কৰা হয়। ইয়াৰ লগতে ভালেসংখ্যক বিষয়ালৈ প্ৰশাসন ব্যৱস্থাত দেখুওৱা পাৰদৰ্শিতাৰ বাবে কৰ্মশ্ৰী বঁটাও আগবঢ়োৱা হয়। চলিতবছৰত ৬৯ গৰাকী কৰ্মচাৰীলৈ ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লোকসেৱাবটাসমূহ আগবঢ়োৱা হয়। ৰাজ্যিকপৰ্যায়ত অগ্নি আৰু জৰুৰীকালীন সেৱাবিভাগৰ দলপতি অংকুৰ নাৰায়ণ দাস, মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ মাল্টি টাস্কিং ষ্টাফ বীৰ বাহাদুৰ ৰায়, ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ জ্যেষ্ঠ সহায়ক চিন্ময় বৰা, বিত্তবিভাগৰ সহকাৰী শাখা বিষয়া দ্বীপজ্যোতি বনিয়াকে ধৰি ১০ গৰাকী কৰ্মচাৰীলৈ ৰাজ্যিক পৰ্যায়ৰ লোকসেৱাব টা আগব ঢ়োৱা হৈছে। একেদৰে ৫৯ গৰাকী কৰ্মচাৰীলৈ জিলা পৰ্যায়ৰ লোকসেৱাপুৰস্কাৰ আগবঢ়োৱা হৈছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত লোককল্যাণ দিৱসৰ অনুষ্ঠানত মন্ত্ৰী ৰণজিত কুমাৰ দাসে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বঁটাসমূহ প্ৰদান কৰে। ভাষণ প্ৰসংগত শ্ৰীদাসে অসমক ভাৰতৰ মূল ভূখণ্ডৰ পৰা বিচ্ছিন্ন নোহোৱাকৈ ৰাখিবলৈ লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে অহোপুৰুষাৰ্থ কৰিছিল বুলি মন্তব্য কৰে। তেওঁ প্ৰয়াত বৰদলৈ অসমৰ ৰাজনৈতিক আৰু আধুনিক সমাজ ব্যৱস্থাৰ খনিকৰস্বৰূপ আছিল বুলি ভাষণত উল্লেখ কৰে।

00000

ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যান তথা জলসিঞ্চন মন্ত্ৰী অশোক সিংহলে আজি যোৰহাট জিলাৰ বাহগুৰি-ছগুৰি এলেকাৰ জলসিঞ্চন প্ৰকল্পটো পৰিদৰ্শন কৰে। তেওঁ লগতে ন-বৰাচুক আদৰ্শ চিকিতসালয় ৰাইজৰ নামত উতসৰ্গা কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে কয় যে চিকিতসালয়ৰ লগত ৰাইজ সংপৃক্ত হৈ থাকিব লাগিব। চৰকাৰী চিকিতসালয়ৰ প্ৰতি ৰাইজৰ নতুন আশা আহিছে

বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত যোৰহাটৰ বিধায়ক হীতেন্দ্ৰ নাথ গোস্বামী, মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ কাৰ্যবাহী সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰী, যুটীয়া সেৱা সঞ্চালকৰ মাখন শইকীয়া প্ৰমুখ্যে ভালেসংখ্যক  বিশিষ্ট ব্যক্তি উপস্থিত থাকে।  পাছত মন্ত্ৰীগৰাকীয়ে মৰিয়ণিত চিৰাখাটি প্ৰৱাহিত জলসিঞ্চন আঁচনিৰ নলা নিৰ্মাণ আৰু উন্নীতকৰণৰ কামৰ আধাৰশিলা স্থাপন কৰে।

0000

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰ সমজিলা আয়ুক্ত কাৰ্যালয়ত কলিয়াবৰ সংমণ্ডলৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াবৰ্গৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত বিভাগটোৰ সৈতে জড়িত বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰা হয। বৈঠকত কলিয়াবৰৰ সমজিলা আয়ুক্ত ৰাজ বৰুৱা, বিভাগীয় বিষয়া অভিযন্তা আৰু সমজিলা প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে।

0000

চৰাইদেউ জিলাৰ অন্যতম পুৰণি উচ্চ শিক্ষানুষ্ঠান সোণাৰী মহাবিদ্যালয়ৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি উলহ-মালহেৰে পালন কৰা হয়। ১৯৭০ চনত প্ৰতিষ্ঠা কৰা মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি সাংস্কৃতিক অনুষ্ঠান, কুইজ প্ৰতিযোগিতাৰ লগতে গৱেষণা, বিদ্যায়তনিক আৰু সৃজনীমূলক ক্ষেত্ৰৰ বাৰ্ষিক আলোচনী আধাৰৰ উন্মোচন কৰা হয়। অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ, প্ৰাক্তন সাংসদ আৰু অসম ঔদ্যোগিক নিগমৰ অধ্যক্ষ তপন কুমাৰ গগৈয়ে অংশগ্ৰহণ কৰে। শ্ৰীগগৈয়ে নৱ প্ৰজন্মক অতীত গৌৰৱ অক্ষুণ্ণ ৰাখি ভৱিষ্যতৰ দিশত দায়বদ্ধ খোজ দিবলৈ আহ্বান জনায়।

0000

যোৰহাট জিলাত ক্ৰীড়াৰ পৰিৱেশ উন্নতি কৰিবলৈ যোৰহাট জিলা ক্ৰীড়া সন্থাই বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। নৱ প্ৰজন্মক ক্ৰীড়াৰ ক্ষেত্ৰত উৎসাহিত কৰিবলৈ যোৰহাট জিলা ক্ৰীড়া সন্থাই আজি এ-ডিভিজন ফুটবল লীগত অংশগ্ৰহণ কৰা জিলাখনৰ দহটা দলক ফুটবল প্ৰদান কৰে। ইয়াৰ লগতে জিলাখনৰ দহটা উপ-ক্ৰীড়া সন্থাকো ফুটবল প্ৰদান কৰা হয়।

0000

আজি আলাবৈ ৰণৰ স্মৃতি দিৱস উপলক্ষে কামৰূপ জিলাৰ আমিনগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত থকা আলাবৈ ৰণ স্মৃতি সৌধৰ সন্মুখত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত ৰাজ্যৰ বন পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, যোগেন মহনৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

0000

ৰাষ্ট্ৰীয় বক্সিং ফেডাৰেছনে ভাৰতীয় বক্সিং ফেডাৰেছনৰ প্ৰাক্তন সচিব তথা অসম বক্সিং সন্থাৰ সম্পাদক হেমন্ত কুমাৰ কলিতাৰ বিৰুদ্ধে আৰোপ কৰা নিলম্বন প্ৰত্যাহাৰ কৰিছে। ভাৰতীয় বক্সিং ফেডাৰেছনৰ প্ৰাক্তন সভাপতি তথা তদৰ্থ কমিটিৰ অধ্যক্ষ অজয় সিঙে আজি গুৱাহাটীত এখন সংবাদমেলত আনুষ্ঠানিকভাৱে এইকথা প্ৰকাশ কৰে।

0000

সমাপ্ত